# সাধাৰণ জ্ঞান

## Chapter – 19

## পৰিৱেশ অধ্যয়ন

**প্ৰশ্নঃ ১। আমাৰ ৰাজ্যখনৰ নাম অসম কেনেকৈ হ’ল ?**

**উত্তৰঃ** বহুতো পণ্ডিতৰ মতে ৰাজ্যখন জান – জুৰি , পৰ্বত – পাহাৰেৰে অসমান হোৱা বাবেই অসম নাম হোৱা বুলি ক’ব খোজে । কোনো কোনো পণ্ডিতে আহোম ৰজাসকলে শাসন কৰিছিল বাবেই ‘ আহোম ’ শব্দটোৰ পৰা অসম নামৰ সৃষ্টি হ’ল বুলি কয়।

**প্ৰশ্নঃ ২। অসমৰ প্ৰাচীন নাম কি আছিল ?**

**উত্তৰঃ** প্ৰাগজ্যোতিষপুৰ ।

**প্ৰশ্নঃ ৩ । আহোমসকলৰ ভাষাত অসমৰ নাম কি আছিল ?**

**উত্তৰঃ** মুংদুনদুন খাম ।

**প্ৰশ্নঃ ৪। আহোমসকল কেতিয়া আহিছিল ?**

**উত্তৰঃ** ১২২৮ খ্ৰীঃ ত ।

**প্ৰশ্নঃ ৫ । আহোম ৰাজ্যৰ প্ৰতিষ্ঠাতা কোন ?**

**উত্তৰঃ** স্বৰ্গদেউ চুকাফা ।

**প্ৰশ্নঃ ৬। আহোমৰ প্ৰথম ৰাজধানী ক’ত আছিল ?**

**উত্তৰঃ** চৰাইদেউত ।

**প্ৰশ্নঃ ৭। শেষ আহোম ৰজাজনৰ নাম কি ?**

**উত্তৰঃ** চন্দ্ৰকান্ত সিংহ ।

**প্ৰশ্নঃ ৮। আহোমৰ শ্ৰেষ্ঠ ৰজা কোন ?**

**উত্তৰঃ** স্বৰ্গদেউ ৰুদ্ৰসিংহ ।

**প্ৰশ্নঃ ৯। কোনজন আহোম ৰজাই পিতৃহত্যা কৰি ৰাজপাটত বহে ?**

**উত্তৰঃ** চুক্লেনমুং ।

**প্ৰশ্নঃ ১০। আহোম প্ৰথমতে হোৱা বিবাহক কি বুলি কোৱা হয় ?**

**উত্তৰঃ** চকলং ।

**প্ৰশ্নঃ ১১। ল'ৰা ৰজাৰ প্ৰকৃত নাম কি আছিল ?**

**উত্তৰঃ** চুলিকফা ।

**প্ৰশ্নঃ ১২। জয়মতী কোন আছিল ?**

**উত্তৰঃ** আহোম ৰজা গদাধৰ সিংহৰ পত্নী ।

**প্ৰশ্নঃ ১৩। তেওঁ ( জয়মতী ) কিয় আত্মোৎসৰ্গ কৰিছিল ?**

**উত্তৰঃ** নিজৰ স্বামীৰ জীৱন ৰক্ষাৰ কাৰণে।

**প্ৰশ্নঃ ১৪। মূলা গাভৰু কোন ?**

**উত্তৰঃ** বৰগোহাঁই ফ্ৰাংচেংমুঙৰ পত্নী । তুৰ্বকৰ আক্ৰমণৰ সময়ত নিজে ঘোঁৰাত উঠি শত্ৰু পক্ষৰ লগত যুদ্ধ কৰিছিল ।

**প্ৰশ্নঃ ১৫। ৰংঘৰ কোনে নিৰ্মাণ কৰিছিল ?**

**উত্তৰঃ** প্ৰমত্ত সিংহই ।

**প্ৰশ্নঃ ১৬। কাৰেংঘৰ আৰু তলাতল ঘৰৰ নিৰ্মাতা কোন ?**

**উত্তৰঃ** আহোম ৰজা ৰাজেশ্বৰ সিংহ ।

**প্ৰশ্নঃ ১৭ । শিৱদৌল আৰু শিৱসাগৰ পুখুৰী কোনে খন্দাইছিল ?**

**উত্তৰঃ** ৰজা শিৱসিংহই ।

**প্ৰশ্নঃ ১৮। জয়দৌল , জয়সাগৰ পুখুৰী আৰু ৰঙ্গনাথৰ মন্দিৰ কোনে প্ৰতিষ্ঠা কৰে ?**

**উত্তৰঃ** ৰুদ্ৰ সিংহই ।

**প্ৰশ্নঃ ১৯। শৰাইঘাটৰ যুদ্ধ কেতিয়া হৈছিল ?**

**উত্তৰঃ** ১৬৭১ খ্ৰীঃত ।

**প্ৰশ্নঃ ২০। শৰাইঘাটৰ যুদ্ধ কাৰ কাৰ মাজত হৈছিল ?**

**উত্তৰঃ** মোগল আৰু আহোমৰ মাজত ।

**প্ৰশ্নঃ ২১। শৰাইঘাটৰ যুদ্ধৰ দুয়োপক্ষৰ সেনাপতি কোন কোন আছিল ?**

**উত্তৰঃ** আহোম সেনাপতি –লাচিত বৰফুকন মোগল সেনাপতি — ৰাম সিংহ ।

**প্ৰশ্নঃ ২২। মোগল সম্ৰাটসকলে কেইবাৰ অসম আক্ৰমণ কৰিছিল ?**

**উত্তৰঃ** ১৭ বাৰ।

**প্ৰশ্নঃ ২৩। মানৰ প্ৰথম আক্ৰমণ কেতিয়া হৈছিল ?**

**উত্তৰঃ** ১৮৭১ খ্ৰীঃত ।

**প্ৰশ্নঃ ২৪। অসমলৈ কোনে মান আনিছিল ?**

**উত্তৰঃ** বদন বৰফুকনে ।

**প্ৰশ্নঃ ২৫। সতী জয়মতীক শাস্তি বিহা ঠাইখনৰ নাম কি ?**

**উত্তৰঃ** জেৰেঙা পথাৰ ।

**প্ৰশ্নঃ ২৬। বদন বৰফুকনক কোনে আৰু কাৰ আঁচনিমতে হত্যা কৰিছিল ?**

**উত্তৰঃ** ৰাজমাওৰ আঁচনিমতে ৰূপসিং চুবেদাৰে হত্যা কৰিছিল ।

**প্ৰশ্নঃ ২৭ । অসমলৈ মুছলমানৰ প্ৰথম আক্ৰমণ কেতিয়া হৈছিল ?**

**উত্তৰঃ** ১২০৩ খ্ৰীঃত ।

**প্ৰশ্নঃ ২৮। উমানন্দ মন্দিৰ কোনে , কেতিয়া প্ৰতিষ্ঠা কৰে ?**

**উত্তৰঃ** আহোম ৰজা গদাধৰ সিংহই ১৬৯৪ খ্ৰীঃত।

**প্ৰশ্নঃ ২৯। কছাৰী ৰাজ্যৰ সৰ্বশ্ৰেষ্ঠ ৰজা কোন ?**

**উত্তৰঃ** শত্ৰুদমন।

**প্ৰশ্নঃ ৩০। দন্দুৱা বিদ্ৰোহ কিয় হৈছিল ?**

**উত্তৰঃ** আহোম বৰফুকন কলীয়া ভোমোৰাই কামৰূপত অত্যাচাৰ কৰা কাৰণে ।

**প্ৰশ্নঃ ৩১। দিহিঙ্গীয়া ৰজাৰ প্ৰকৃত নাম কি ?**

**উত্তৰঃ** চুহুংমুং , দিহিং নদীৰ পাৰত ৰাজধানীৰ প্ৰতিষ্ঠা কৰি ৰাজত্ব কৰা কাৰণে তেওঁক দিহিঙ্গীয়া ৰজা বুলি কৈছিল ।

**প্ৰশ্নঃ ৩২। খোৰা ৰজা কোন ?**

**উত্তৰঃ** চুখ্ৰাংফা ।

**প্ৰশ্নঃ ৩৩। কোন আহোম ৰজাক ভগনীয়া ৰজা বুলি কোৱা হৈছিল ?**

**উত্তৰঃ** জয়ধ্বংস সিংহক ।

**প্ৰশ্নঃ ৩৪। কোন ৰজাৰ দিনত লতা কটা ৰণ হৈছিল ?**

**উত্তৰঃ** ৰাজেশ্বৰ সিংহৰ দিনত ।

**প্ৰশ্নঃ ৩৫। কোন মন্দিৰত মানুহ বলি দিয়াৰ প্ৰথা আছিল ?**

**উত্তৰঃ** শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰত । গৌৰীনাথ সিংহই এই প্ৰথা উঠাই দিয়ে ।

**প্ৰশ্নঃ ৩৬। কোন আহোম কুঁৱৰীয়ে মহন্তসকলৰ বলিৰ তেজেৰে প্ৰজাসকলৰ কঁপালত ফোট দিছিল ?**

**উত্তৰঃ** ফুলেশ্বৰী কুঁৱৰীয়ে ।

**প্ৰশ্নঃ ৩৭ । মোৱামৰীয়া বিদ্ৰোহ কেইবাৰ হৈছিল ?**

**উত্তৰঃ** তিনিবাৰ।

**প্ৰশ্নঃ ৩৮। অসম কৃষি বিশ্ববিদ্যালয় ক'ত আছে ?**

**উত্তৰঃ** অসম কৃষি বিশ্ববিদ্যালয় যোৰহাট জিলাৰ বৰভেটাত আছে ।

**প্ৰশ্নঃ ৩৯। অসমৰ এখন সাৰ কাৰখানা থকা ঠাইৰ নাম লিখা।**

**উত্তৰঃ** অসমৰ এখন সাৰ কাৰখানা থকা ঠাইৰ নাম হ'ল— ডিব্ৰুগড় জিলাৰ নামৰূপ ।

**প্ৰশ্নঃ ৪০। অসমৰ ( এখন ) সৈনিক স্কুল থকা ঠাইৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ ( এখন ) সৈনিক স্কুল থকা ঠাইৰ নাম হ'ল গোৱালপাৰা জিলাৰ মৰনৈ ।

**প্ৰশ্নঃ ৪১। অসম সাহিত্য সভাৰ প্ৰধান কাৰ্যালয়টো ক'ত আছে আৰু নাম কি ?**

**উত্তৰঃ** অসম সাহিত্য সভাৰ প্ৰধান কাৰ্যালয়টো যোৰহাট জিলাত আছে। এই কাৰ্যালয় ভৱনটোৰ নাম চন্দ্ৰকান্ত সন্দিকৈ ভৱন ।

**প্ৰশ্নঃ ৪২ । অসম সাহিত্য সভাৰ প্ৰথম সভাপতিজনৰ নাম লিখা।**

**উত্তৰঃ** অসম সাহিত্যসভাৰ প্ৰথম সভাপতিজনৰ নাম পদ্মনাথ গোহাঞি বৰুৱা ।

**প্ৰশ্নঃ ৪৩। অসমৰ দুখন শিশু আলোচনীৰ নাম লিখা ?**

**উত্তৰঃ** অসমৰ দুখন শিশু আলোচনীৰ নাম হ'ল মৌচাক আৰু সঁফুৰা ।

**প্ৰশ্নঃ ৪৪। বৰ্তমান অসমৰ ৰাজ্যপালজনৰ নাম লিখা ।**

**উত্তৰঃ** বৰ্তমান অসমৰ ৰাজ্যপালজনৰ নাম জানকী বল্লভ পাটনায়ক ।

**প্ৰশ্নঃ ৪৫। বৰ্তমান অসমৰ শিক্ষা মন্ত্ৰীজনৰ নাম লিখা ।**

**উত্তৰঃ** বৰ্তমান অসমৰ শিক্ষা মন্ত্ৰীজনৰ ডঃ হিমন্ত বিশ্ব শৰ্মা।

**প্ৰশ্নঃ ৪৬। অসমৰ প্ৰথম অৰ্জুন বঁটা বিজয়ী পুৰুষ খেলুৱৈজনৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ প্ৰথম অৰ্জুন বঁটা বিজয়ী পুৰুষ খেলুৱৈজনৰ নাম শ্ৰীভোগেশ্বৰ বৰুৱা ।

**প্ৰশ্নঃ ৪৭। অসমৰ প্ৰথম অৰ্জুন বঁটা বিজয়ী মহিলা খেলুৱৈগৰাকীৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ প্ৰথম অৰ্জুন বঁটা বিজয়ী মহিলা খেলুৈৱে গৰাকী হ'ল শ্ৰীযুতা মনালিছা বৰুৱা ( মেহতা ) ।

**প্ৰশ্নঃ ৪৮। অসমৰ এখন শিশু বিজ্ঞান আলোচনীৰ নাম লিখা।**

**উত্তৰঃ** অসমৰ এখন শিশু বিজ্ঞান আলোচনীৰ নাম হ'ল – নতুন আৱিষ্কাৰ ।

**প্ৰশ্নঃ ৪৯। পৃথিৱী বিখ্যাত নদী দ্বীপটোৰ নাম কি আৰু ক'ত অৱস্থিত ?**

**উত্তৰঃ** পৃথিৱী বিখ্যাত নদী দ্বীপটোৰ নাম মাজুলী । এই নদী দ্বীপটো যোৰহাট জিলাত অৱস্থিত ।

**প্ৰশ্নঃ ৫০। ভাৰতৰ আটাইতকৈ পুৰণি তেল শোধানাগাৰটো ক'ত আছে ?**

**উত্তৰঃ** ভাৰতৰ আটাইতকৈ পুৰণি তেল শোধানাগাৰটো তিনিচুকীয়া জিলাৰ ডিগবৈত অৱস্থিত।

**প্ৰশ্নঃ ৫১। পৃথিৱীৰ বিখ্যাত চাহ গৱেষণা কেন্দ্ৰ ক'ত আছে ?**

**উত্তৰঃ** পৃথিৱী বিখ্যাত চাহ গৱেষণা কেন্দ্ৰ যোৰহাট জিলাৰ টোকোলাইত আছে ।

**প্ৰশ্নঃ ৫২। অসমৰ ক'ত আঞ্চলিক গৱেষণা কেন্দ্ৰ আছে ?**

**উত্তৰঃ** অসমৰ যোৰহাট জিলাৰ আঞ্চলিক গৱেষণা কেন্দ্ৰ আছে ।

**প্ৰশ্নঃ ৫৩। পৃথিৱীৰ আটাইতকৈ ক্ষুদ্ৰতম দ্বীপটো ক'ত আছে আৰু নাম কি ?**

**উত্তৰঃ** পৃথিৱীৰ আটাইতকৈ ক্ষুদ্ৰতম দ্বীপটো অসমৰ কামৰূপ জিলাত আছে । এই দ্বীপটোৰ নাম উমানন্দ ।

**প্ৰশ্নঃ ৫৪। অসমৰ ক'ত আঞ্চলিক ধান গৱেষণা কেন্দ্ৰ আছে ?**

**উত্তৰঃ** অসমৰ যোৰহাট জিলাৰ তিতাবৰত আঞ্চলিক ধান গৱেষণা কেন্দ্ৰ আছে ।

**প্ৰশ্নঃ ৫৫। ব্ৰহ্মপুত্ৰৰ ওপৰত হোৱা প্ৰথম দলংখনৰ নাম লিখা ।**

**উত্তৰঃ** ব্ৰহ্মপুত্ৰৰ ওপৰত হোৱা প্ৰথম দলংখনৰ নাম শৰাইঘাট ।

**প্ৰশ্নঃ ৫৬। অসমত আটাইতকৈ ডাঙৰ ভূমিকম্প কোন চনত হৈছিল ?**

**উত্তৰঃ** অসমত আটাইতকৈ ডাঙৰ ভূমিকম্প ১৯৫০ চনত হৈছিল ।

**প্ৰশ্নঃ ৫৭। অসমৰ প্ৰথম মুখ্যমন্ত্ৰীজনৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ প্ৰথম মুখ্যমন্ত্ৰীজনৰ নাম লোকপ্ৰিয় গোপীনাথ বৰদলৈ ।

**প্ৰশ্নঃ ৫৮। কাছাৰ জিলাত থকা কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনৰ নাম লিখা ।**

**উত্তৰঃ** কাছাৰ জিলাত থকা কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনৰ নাম ‘ অসম বিশ্ববিদ্যালয় ‘ ।

**প্ৰশ্নঃ ৫৯। অসমৰ ৰাজ্যিক তাৰকাগৃহ ক'ত আছে ?**

**উত্তৰঃ** অসমৰ ৰাজ্যিক তাৰকাগৃহ কামৰূপ জিলাৰ লতাশিল ( গুৱাহাটী) ত আছে ।

**প্ৰশ্নঃ ৬০। বৰঝাৰ বিমান কোঠটো কি নামেৰে নামকৰণ কৰা হ'ল ?**

**উত্তৰঃ** বৰঝাৰ বিমান কোঠটো– লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান কোঠ নামে নামাকৰণ কৰা হ'ল ।

**প্ৰশ্নঃ ৬১। কটন মহাবিদ্যালয় কোন চনত স্থাপন কৰা হৈছিল ?**

**উত্তৰঃ** কটন মহাবিদ্যালয় ১৯০১ চনত স্থাপন কৰা হৈছিল ।

**প্ৰশ্নঃ ৬২। অসমৰ ৰাজ্যিক প্ৰতীক কি ?**

**উত্তৰঃ** অসমৰ ৰাজ্যিক প্ৰতীক হ'ল গঁড় ।

**প্ৰশ্নঃ ৬৩। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কিহৰ বাবে বিখ্যাত ?**

**উত্তৰঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত ।

**প্ৰশ্নঃ ৬৪৷ অসমৰ গৰম পানীৰ উঁহ ক'ত আছে ?**

**উত্তৰঃ** অসমৰ গৰম পানীৰ উঁহ গোলাঘাট জিলাৰ নামবৰত আছে ।

**প্ৰশ্নঃ ৬৫৷ ভাৰতৰ প্ৰথম অসমীয়া ৰাষ্ট্ৰপতিজনৰ নাম লিখা ।**

**উত্তৰঃ** ভাৰতৰ প্ৰথম অসমীয়া ৰাষ্ট্ৰপতিজনৰ নাম মৰম ফখৰুদ্দিন আলি আহমদ ।

**প্ৰশ্নঃ ৬৬। অসমৰ শেষত হোৱা মহকুমাটোৰ নাম কি ?**

**উত্তৰঃ** অসমৰ শেষত হোৱা মহকুমাটোৰ নাম হ'ল – তিতাবৰ মহকুমা।

**প্ৰশ্নঃ ৬৭ । অসমৰ প্ৰধান নৈ দুখনৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ প্ৰধান নৈ দুখনৰ নাম হ'ল –

( ১ ) ব্ৰহ্মপুত্ৰ । আৰু

( ২ ) বৰাক ।

**প্ৰশ্নঃ ৬৮। অসমৰ জুইশলা কাৰখানা থকা এখন ঠাইৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ জুইশলা কাৰখানা থকা এখন ঠাইৰ নাম হ'ল – ধুবুৰী ।

**প্ৰশ্নঃ ৬৯। ' ভাটনাগৰ'বঁটা বিজয়ী এজন বিজ্ঞানীৰ নাম লিখা।**

**উত্তৰঃ** ' ভাটনাগৰ ' বঁটা বিজয়ী এজন বিজ্ঞানীৰ নাম হ'ল ড° জিতেন্দ্ৰ নাথ গোস্বামী ।

**প্ৰশ্নঃ ৭০। মহাপুৰুষ শংকৰদেৱৰ জন্ম হোৱা ঠাইখনৰ নাম লিখা ।**

**উত্তৰঃ** মহাপুৰুষ শংকৰদেৱৰ জন্ম হোৱা ঠাইখনৰ নাম মৰিগাঁও জিলাৰ পাতেকীবৰী আলিপুখুৰীত ।

**প্ৰশ্নঃ ৭১। অসমৰ এজন অৰ্থনীতিবিদৰ নাম লিখা।**

**উত্তৰঃ** অসমৰ এজন অৰ্থনীতিবিদৰ নাম হ'ল— ড° জয়ন্ত মাধৱ বৰা ।

**প্ৰশ্নঃ ৭২ । অসমৰ এগৰাকী মহিলা মহাকাশ বিজ্ঞানীৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ এগৰাকী মহিলা মহাকাশ বিজ্ঞানীৰ নাম শ্ৰীযুতা ৰেণিতা শইকীয়া ।

**প্ৰশ্নঃ ৭৩। প্ৰথম অসমীয়া ৰেংলাৰ কোন ?**

**উত্তৰঃ** প্ৰথম অসমীয়া ৰেংলাৰ শ্ৰীযুত অনুপম শইকীয়া।

**প্ৰশ্নঃ ৭৪। বৰ্তমান ভাৰতৰ ৰাষ্ট্ৰপতিজনৰ নাম লিখা ।**

**উত্তৰঃ** বৰ্তমান ভাৰতৰ ৰাষ্ট্ৰপতিজনৰ নাম ড° আবুল পকিৰ জালালুদ্দিন আব্দুল কালাম ( ড° এ , পি , জে , আব্দুল কালাম )

**প্ৰশ্নঃ ৭৫। বৰ্তমান ভাৰতৰ প্ৰধান মন্ত্ৰীজনৰ নাম লিখা ।**

**উত্তৰঃ** বৰ্তমান ভাৰতৰ প্ৰধান মন্ত্ৰীজনৰ নাম ড° মনমোহন সিং ।

**প্ৰশ্নঃ ৭৬। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্যজনৰ নাম লিখা।**

**উত্তৰঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্যজনৰ নাম পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ।

**প্ৰশ্নঃ ৭৭। ভাৰতৰ প্ৰথম ন'বেল বঁটা বিজয়ী সাহিত্যিকজনৰ নাম লিখা ।**

**উত্তৰঃ** ভাৰতৰ প্ৰথম ন'বেল বঁটা বিজয়ী সাহিত্যিকজনৰ নাম কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ।

**প্ৰশ্নঃ ৭৮। অসমৰ প্ৰথম বোলছবিখনৰ নাম কি ?**

**উত্তৰঃ** অসমৰ প্ৰথম বোল ছবিখনৰ নাম জয়মতী ।

**প্ৰশ্নঃ ৭৯। জয়মতী বোলছবি কোনে নিৰ্মাণ কৰিছিল ?**

**উত্তৰঃ** জয়মতী বোলছবি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰিছিল ।

**প্ৰশ্নঃ ৮০। যোৰহাট জিলাৰ ক'ত বন গৱেষণা কেন্দ্ৰ আছে ?**

**উত্তৰঃ** যোৰহাট জিলাৰ ছটাইত বন গৱেষণা কেন্দ্ৰ আছে ।

**প্ৰশ্নঃ ৮১। অসমৰ দুজন বোলছবি অভিনেতাৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ দুজন বোলছবি অভিনেতাৰ নাম হ'ল —

( ১ ) শ্ৰীযুত বিজু ফুকন । আৰু

( ২ ) শ্ৰীযুত তপন দাস ।

**প্ৰশ্নঃ ৮২। ' দাদা চাহেব ফাল্কে বঁটা ' লাভ কৰা অসমৰ এজন ব্যক্তিৰ নাম লিখা ।**

**উত্তৰঃ** ‘ দাদা চাহেব ফাল্কে বঁটা ’ লাভ কৰা অসমৰ এজন ব্যক্তিৰ নাম হ’ল – ড° ভূপেন হাজৰিকা ।

**প্ৰশ্নঃ ৮৩। অসমৰ আটাইতকৈ দীঘল ৰেল পথৰ সুৰঙ্গটো ক’ত আছে ?**

**উত্তৰঃ** অসমৰ আটাইতকৈ দীঘল ৰেলপথৰ সুৰংগটো উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ মাহুত আছে ।

**প্ৰশ্নঃ ৮৪। অসমৰ পক্ষী নিৰীক্ষণ কেন্দ্ৰ থকা এখন ঠাইৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ পক্ষী নিৰীক্ষণ কেন্দ্ৰ থকা এখন ঠাইৰ নাম হ’ল উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ জাটিংগা ।

**প্ৰশ্নঃ ৮৫। অসমৰ বিলাতী মাটিৰ কাৰখানা থকা এখন ঠাইৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ বিলাতী মাটিৰ কাৰখানা থকা এখন ঠাইৰ নাম হ’ল— কাৰ্বি আংলং জিলাৰ বোকাজান ।

**প্ৰশ্নঃ ৮৬। অসমৰ এখন স্বাস্থ্যকৰ ঠাইৰ নাম লিখা।**

**উত্তৰঃ** অসমৰ এখন স্বাস্থ্যকৰ ঠাইৰ নাম হ’ল উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ হাফলং ।

**প্ৰশ্নঃ ৮৭। কাৰ্বি আংলং জিলাৰ হাবিত পোৱা এবিধ আপুৰুগীয়া প্ৰাণীৰ নাম লিখা ।**

**উত্তৰঃ** কাৰ্বি আংলং জিলাৰ হাবিত পোৱা এবিধ আপুৰুগীয়া প্ৰাণী হ’ল বনৰৌ ।

**প্ৰশ্নঃ ৮৮। বঙাইগাঁও জিলাৰ ক’ত পেট্ৰ’কেমিকেল উদ্যোগ আছে ?**

**উত্তৰঃ** বঙাইগাঁও জিলাৰ ঢালিগাঁৱত পেট্ৰ’কেমিকেল উদ্যোগ আছে ।

**প্ৰশ্নঃ ৮৯। উত্তৰ – পূব ভাৰতৰ একমাত্ৰ এলুমিনিয়াম কাৰখানাটো ক’ত আছে ?**

**উত্তৰঃ** উত্তৰ – পূব ভাৰতৰ একমাত্ৰ এলুমিনিয়াম কাৰখানাটো অসমৰ বঙাইগাঁও জিলাত আছে ।

**প্ৰশ্নঃ ৯০। পৃথিৱীৰ আটাইতকৈ বেছি বৰষুণ হোৱা ঠাইখনৰ নাম লিখা।**

**উত্তৰঃ** পৃথিৱীৰ আটাইতকৈ বেছি বৰষুণ হোৱা ঠাইখন হ'ল মেঘালয় ৰাজ্যৰ মৌছিনৰাম।

**প্ৰশ্নঃ ৯১। চীনা পৰিব্ৰাজক হিউৱেন চাঙ কোন ৰজাৰ ৰাজত্ব কালত অসমলৈ আহিছিল ?**

**উত্তৰঃ** ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত ।

**প্ৰশ্নঃ ৯২। বৰ্মন বংশৰ শ্ৰেষ্ঠ ৰজা কোন ?**

**উত্তৰঃ** কুমাৰ ভাস্কৰ বৰ্মন ।

**প্ৰশ্নঃ ৯৩। কুৰুক্ষেত্ৰৰ যুদ্ধত অংশগ্ৰহণ কৰা অসমৰ ৰজাজন কোন আছিল ?**

**উত্তৰঃ** ভগদত্ত , কৌৰৱ পক্ষৰ হৈ যুঁজিছিল ।

**প্ৰশ্নঃ ৯৪। বান ৰজাৰ ৰাজধানী ক'ত আছিল ?**

**উত্তৰঃ** শোণিতপুৰত।

**প্ৰশ্নঃ ৯৫। বান ৰজাৰ কন্যাৰ নাম কি আছিল ?**

**উত্তৰঃ** ঊষাদেৱী ।

**প্ৰশ্নঃ ৯৬। হৰি – হৰৰ যুদ্ধ কাৰ মাজত হৈছিল ?**

**উত্তৰঃ** বানৰজা ফলীয়া মহাদেৱ আৰু শ্ৰীকৃষ্ণৰ মাজত হৈছিল ।

**প্ৰশ্নঃ ৯৭ । ঊষাদেৱীৰ কাৰ লগত বিবাহ হৈছিল ?**

**উত্তৰঃ** শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ লগত ।

**প্ৰশ্নঃ ৯৮। কামাখ্যা দেৱীৰ মন্দিৰ প্ৰথমে কোনে নিৰ্মাণ কৰিছিল ?**

**উত্তৰঃ** নৰকাসুৰে।

**প্ৰশ্নঃ ৯৯। কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কোনে কিয় কৰে ?**

**উত্তৰঃ** কালাপাহাৰে কামাখ্যা মন্দিৰ ধ্বংস কৰাত কোঁচৰজা নৰনাৰায়ণে পুনৰ নিৰ্মাণ কৰে ।

**প্ৰশ্নঃ ১০০। কোচ বংশৰ শ্ৰেষ্ঠ ৰজা কোন ?**

**উত্তৰঃ** নৰনাৰায়ণ ।

**প্ৰশ্নঃ ১০১। নৰনাৰায়ণৰ সেনাপতি কোন আছিল ?**

**উত্তৰঃ** মহাবীৰ চিলাৰায়।

**প্ৰশ্নঃ ১০২। শৰাইঘাটৰ ৰণ কাৰ দিনত হৈছিল ?**

**উত্তৰঃ** চক্ৰধ্বজ সিংহৰ দিনত।

**প্ৰশ্নঃ ১০৩। ইয়াণ্ডাবু সন্ধি কাৰ কাৰ মাজত হৈছিল ?**

**উত্তৰঃ** ১৮২৬ খ্ৰীঃত ।

**প্ৰশ্নঃ ১০৪। এই সন্ধি কাৰ কাৰ মাজত হৈছিল ?**

**উত্তৰঃ** বৃটিছ আৰু মান ৰজাৰ মাজত ।

**প্ৰশ্নঃ ১০৫। অসমৰ স্বাধীনতা আন্দোলনৰ প্ৰথম ছহিদ কোন ?**

**উত্তৰঃ** পিয়লি ফুকন ।

**প্ৰশ্নঃ ১০৬। মণিৰাম দেৱানক ফাঁচি কোন চনত দিছিল ?**

**উত্তৰঃ** ১৮৫৮ চনত ।

**প্ৰশ্নঃ ১০৭। কোন আহোম ৰজাক ইংৰাজে বন্দী কৰি ৰাখিছিল ।**

**উত্তৰঃ** পুৰন্দৰ সিংহক ।